2. দ্বিতীয়তে, পৰিৱৰ্তনশীল বিনিময় হাৰে এহাতে আপেক্ষিকভাৱে দুৰ্বল দেশসমূহৰ আন্তৰাষ্ট্ৰীয় বাণিজ্যৰ সংকোচন ঘটায় আনহাতেদি মূলধন বিনিয়োগৰ ক্ষেত্ৰত অস্থিৰতা আৰু অনিশ্চয়তাৰ সৃষ্টি কৰে।

3.যিহেতু আন্তৰ্জাতিক বাণিজ্যত পৰিৱৰ্তনীয় বৈদেশিকবিনিময় হাৰে হঠাৎ লাভ প্ৰসূত অভিপ্ৰায়ত প্ৰেৰণাৰ যোগান ধৰে গতিকে অনুৎপাদনশীল দিশত বিনিয়োগ বৃদ্ধি পোৱাৰ সুবিধা থাকে বাবে বিনিয়োগ কাৰ্য্যত অস্থিৰতাই দেখা দিয়ে।

4. চতুৰ্থতে, কেতিয়াবা-কেতিয়াবা কিছুমান দেশে বৈদেশিক বাণিজ্যত পৰিৱৰ্তনশীল বৈদেশিক বিনিময় হাৰৰ সুবিধা গ্ৰহণ কৰি নিজ দেশৰ প্ৰৱাহিত মুদ্ৰাৰ মূল্য হ্ৰাস কৰি বৈদেশিক বিনিময়ৰ হাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব খোজে। এনে হ'লে আন্তৰ্জাতিক পৰ্য্যায়ত বৈদেশিক বিনিময় হাৰৰ স্থিৰতা ৰক্ষাত বাধাৰ সৃষ্টি হয়।

5. পঞ্চমতে, পৰিৱৰ্তনশীল বৈদেশিক বিনিময় হাৰে কেতিয়াবা দেশীয় চৰকাৰে গ্ৰহণ কৰা উন্নয়নৰ আঁচনিসমূহৰ ইপ্সিত লক্ষ্যত উপনীত হোৱাত বাধাৰ সৃষ্টি কৰে।

4.9. **বাণিজ্যৰ সমতা আৰু লেন-দেন পৰিশোধৰ ক্ষমতা** (Balance of Trade and Balance of Payment) ঃ

4.9.1. **লেন-দেন পৰিশোধৰ ক্ষমতা** (Balance of Payment) ঃ দুখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক গঢ়ি তুলিবলৈ হ'লে দুয়োখন দেশৰ মাজত এক সুস্থ আৰু দুয়োখন দেশৰ বাবে সন্তোষজনক বৈদেশিক বিনিময় হাৰৰ প্ৰয়োজন হয়। এনে এক সন্তোষজনক বৈদেশিক বিনিময় হাৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত যিমানবিলাক ব্যাখ্যা পোৱা যায় তাৰ ভিতৰত আটাইতকৈ সন্তোষজনক ব্যাখ্যা দাঙি ধৰা সূত্ৰটো হৈছে বাণিজ্যিক লেন-দেন পৰিশোধৰ ক্ষমতা তত্ত্ব (Balance of Payment Theory)। এই তত্ত্ব মতে পৰিশোধৰ সমতা ধাৰণাটোৱে কোনো এখন দেশৰ কোনো এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত বিশ্বৰ অন্যান্য দেশৰ সৈতে সম্পন্ন হোৱা আৰ্থিক লেন-দেনৰ এক প্ৰণালীবদ্ধ পৰিসাংখ্যিক আলোচনাকে প্ৰকাশ কৰে। বাণিজ্যিক লেন-দেনৰ সমতাত এখন দেশৰ এক নিৰ্দিষ্ট সময়ৰ ভিতৰত বিশ্বৰ বিভিন্ন দেশৰ লগত হোৱা সকলো

প্ৰকাৰৰ দৃশ্যমান লেন-দেন আৰু সকলো ধৰণৰ অদৃশ্যমান লেন-দেনক অন্তৰ্ভূক্ত কৰা হয়। অৰ্থাৎ কোনো এখন দেশে নিৰ্দিষ্ট সময় সীমা এটাৰ ভিতৰত আনদেশক পৰিশোধ কৰিবলগীয়া সকলো ধৰণৰ দেনা আৰু সেই দেশে আন দেশৰ পৰা প্ৰাপ্য সকলো ধৰণৰ পাওঁনাৰ মাজৰ সমতাকে ব্যাখ্যা কৰে। তলৰ তালিকাৰ যোগেদি আমি দেশ এখনৰ বৈদেশিকবিনিময়ৰ পাওঁনা (যোগান) আৰু বৈদেশিক দেনা (চাহিদা) দিশটোকে দাঙি ধৰিব পাৰি।

| যোগান (পাওঁনা) | চাহিদা (দেনা) |
|---|---|
| 1. পণ্য ৰপ্তানি। | 1. পণ্য আমদানি। |
| 2. বিদেশৰ লোকলৈ যোগান ধৰা সেৱা (যেনে- বেংক, ইন্সিঅ'ৰেঞ্চ, জাহাজ পৰিবহন আদি) | 2. বিদেশী লোকে যোগান ধৰা সেৱা (যেনে- বেংক, ইন্সিঅ'ৰেঞ্চ, জাহাজ পৰিবহন আদি)। |
| 3. বিদেশীয়ে দেশৰ ভিতৰত কৰা ভ্ৰমণ সংক্ৰান্ত খৰচ। | 3. দেশৰ লোকে বিদেশত কৰা ভ্ৰমণ সংক্ৰান্ত খৰচ। |
| 4. দেশৰ লোকে বিদেশত আগবঢ়োৱা ঋণ বিদেশত খটুওৱা মূলধনৰ সুদ আৰু লাভ্যাংশ। | 4. বিদেশৰ লোকে দেশৰ ভিতৰত আগবঢ়োৱা ঋণ আৰু দেশৰ ভিতৰত খটুওৱা মূলধনৰ সুদ আৰু লাভ্যাংশ। |
| 5. বিদেশৰ পৰা পোৱা দান-বৰঙনি আৰু অন্য প্ৰকাৰে পোৱা মূদ্ৰা (যেনে- দৰমহা, ভাট্টা ইত্যাদি)। | 5. বিদেশলৈ পঠোৱা দান-বৰঙনি আৰু অন্য প্ৰকাৰে পঠোৱা মূদ্ৰা (যেনে- দৰমহা, ভাট্টা ইত্যাদি)। |
| 6. দেশৰ ভিতৰত বিদেশৰ চৰকাৰে কৰা খৰচ। | 6. দেশৰ চৰকাৰে বিদেশত কৰা খৰচ। |
| 7. দীৰ্ঘকালিন মূলধনৰ আমদানি। | 7. দীৰ্ঘকালিন মূলধনৰ ৰপ্তানি। |
| 8. হ্ৰস্বকালিন মূলধনৰ আমদানি। | 8. হ্ৰস্বকালিন মূলধনৰ ৰপ্তানি। |
| 9. সোণৰ আমদানি। | 9. সোণৰ ৰপ্তানি। |

অৰ্থনীতিবিদ কে.কে. (K.K. Kurihara) ই তেখেতৰ বিখ্যাত Monetary Theory and Public Policy নামৰ গ্ৰন্থখনত উল্লেখ কৰা ওপৰৰ তালিকাখনকে বাণিজ্যিক লেন-দেন পৰিশোধৰ তালিকা আখ্যা দিয়া হয়। ওপৰৰ তালিকা খণ্ডৰ সকলো বিভাগক সামৰি একেলগে বাণিজ্যিক লেন-দেন পৰিশোধ (Balance of Payments)বোলা হয়। ওপৰৰ তালিকাখনৰ 1 নং বিভাগটো অৰ্থাৎ পণ্যৰ আমদানি আৰু পণ্যৰ ৰপ্তানি দিশ দুটা চকুৰে দেখিবলৈ পোৱা যায়। গতিকে এইটো বিভাগক দৃশ্যমান বিভাগ (Visible Item) বোলা হয়। তালিকাখনৰ 2 নং বিভাগৰ পৰা 7 নং বিভাগলৈ বাকীবিলাক বিভাগ তেনেকৈ

চকুৰে দেখিবলৈ পোৱা নাযায় বাবে এই বিভাগকেইটাক অদৃশ্যমান বিভাগ (Invisible Items) বোলা হয়। পুনৰ তালিকাখনৰ 1 ৰ পৰা 6 লৈ বিভাগসমূহৰ দেনা-পাওঁনা সমূহৰ হিচাপক একেলগে “আয় হিচাপ” (Income Account) বা চলিত হিচাপ (Current Account) বুলি কোৱা হয় আৰু বাকী থকা 7 ৰ পৰা 9 নম্বৰ বিভ্ৰগলৈ আটাইকেইটা বিভাগৰ হিচাপক একেলগে মূলধন হিচাপ (Capital Account) বোলা হয়। 9 নম্বৰৰ বিভাগটোক সোণৰ চলাচল (Gold Movement) হিচাপ বোলা হয়। মন কৰিব লগা কথা হ'ল বাণিজ্যিক লেন-দেন পৰিশোধৰ সমতাত দেশ এখনৰ মুঠ দেনা আৰু মুঠ পাওঁনা পৰস্পৰ সমান-সমান হয়। ঠিক একেদৰে আয় হিচাপ আৰু মূলধন হিচাপ লগ লগালে মুঠ দেনা আৰু মুঠ পাওঁনা পৰস্পৰ সমান হয়। কিন্তু কেৱল আয় হিচাপৰ দেনা-পাওঁনাৰ পৰস্পৰ সমান নহ'বও পাৰে। ওপৰৰ আলোচনাখিনি বন্দৰৰ হিচাপ অনুসৰিহে দাঙি ধৰা হৈছে। কিন্তু স্বয়ংক্ৰিয়ভাৱে হোৱা আদান-প্ৰদানৰ ক্ষেত্ৰত বাণিজ্যিক লেন-দেন পৰিশোধৰ সমতাত মুঠ দেনা আৰু মুঠ পাওঁনা সমান নহ'বও পাৰে। স্বয়ংক্ৰিয় পদ্ধতিত হোৱা মুঠ দেনাতকৈ মুঠ পাওঁনা অধিক হ'লে বৈদেশিক বিনিময় ৰাহি হয় আৰু কিবা কাৰণত মুঠ দেনাতকৈ মুঠ পাওঁনা কম হ'লে বিনিময়ৰ ঘাটি হয়। যেতিয়া বাণিজ্যিক লেন-দেন পৰিশোধৰ ৰাহিৰ সৃষ্টি হয় তেনেহ'লে তেনে ৰাহি বিদেশী ঋণপত্ৰ ক্ৰয় নাইবা বিদেশী বেংকত জমা অথবা সোণ আমদানি কৰাত ব্যৱহাৰ কৰা হয়। কিন্তু স্বয়ংক্ৰিয়ভাৱে হোৱা বাণিজ্যিক লেন-দেন পৰিশোধৰ সমতাত মুঠ দেনাৰ পৰিমাণ মুঠ পাওঁনাৰ পৰিমাণতকৈ বেছি হ'লে বিনিময়ৰ ঘাটিৰ সৃষ্টি হয়। এনে অৱস্থাত এনে ঘাটি পূৰণ কৰিবলৈ আগৰে পৰা থকা সংৰক্ষিত জমা উলিয়াই নাইবা বিদেশৰ বেংকত থকা জমা উঠাই লৈ অথবা বিদেশী বেংকৰ পৰা ঋণ গ্ৰহণ কৰি অন্যথা সোণ ৰপ্তানি কৰিব লগা হয়। অৰ্থনীতিবিদ পি.টি. ইলচ্‌ৱৰ্থৰ আন্তৰ্জাতিক অৰ্থনীতি (International Economics) ত তেখেতে মত পোষণ কৰে যে মূলধন হিচাপত স্বয়ংক্ৰিয়ভাৱে হোৱা দেনা-পাওঁনাৰ লগত বাণিজ্যিক লেন-দেন পৰিশোধ সমতাৰ স্বয়ংক্ৰিয় মুঠ দেনা-পাওঁনাৰ ৰাহি বা ঘাটিৰ পৰিমাণ যোগ বা বিয়োগ কৰি মুঠ দেনা আৰু মুঠ পাওঁনা পৰস্পৰ সমান কৰা হয়। এই ক্ষেত্ৰত বাণিজ্যিক লেন-দেন পৰিশোধ সমতাৰ স্বয়ংক্ৰিয় মুঠ দেনা আৰু মুঠ পাওঁনাৰ ভিতৰত পণ্য আৰু সেৱাৰ আমদানি আৰু ৰপ্তানিৰ উপৰিও স্বয়ংক্ৰিয়ভাৱে হোৱা মূলধনৰ

আমদানি আৰু ৰপ্তানিও অন্তৰ্ভূক্ত কৰা হয়।

মন কৰিবলগীয়া যে মুক্ত বাণিজ্য নীতি মানি চলা অৱস্থাত যিকোনো দুখন দেশৰ প্ৰৱাহিত মূদ্ৰাৰ বিনিময় হাৰৰ নিৰ্ধাৰণ মাথোন সেই দুখন দেশৰ মাজত হোৱা মুঠ দেনা আৰু মুঠ পাওঁনাৰ ওপৰতে নিৰ্ভৰ নকৰে। ইয়াৰ বিপৰীতে প্ৰতিখন দেশৰে বৈদেশিক বিনিময় হাৰ বিশ্বৰ সকলোবিলাক দেশৰ লগত হোৱা মুঠ দেনা আৰু মুঠ পাওঁনাৰ ওপৰত নিৰ্ভৰ কৰে।

4.9.2 **লেন-দেন পৰিশোধৰ সমতাৰ ভিত্তিত ভাৰসাম্য বিনিময় হাৰ নিৰ্ধাৰণ** (Determined the Equilibrium Exchange Rate Based on BOP)**ঃ** লেন-দেন পৰিশোধৰ সমতা সূত্ৰই মূল্য নিৰ্ধাৰণৰ সাধাৰণ সূত্ৰকে বিনিময় হাৰ নিৰ্ধাৰণ সূত্ৰলৈ ৰূপান্তৰ কৰিছে। মূল্য নিৰ্ধাৰণৰ সাধাৰণ সূত্ৰৰ মতে কোনো এবিধ সামগ্ৰীৰ ভাৰসাম্য দাম ইয়াৰ চাহিদা আৰু যোগানৰ দ্বাৰা নিৰ্ধাৰিত হয়। এই ক্ষেত্ৰত বৈদেশিক বিনিময়ৰ দেনা দিশটোক চাহিদা আৰু পাওঁনাৰ দিশটোক যোগান হিচাপে গণ্য কৰি এনেদৰে নিৰ্ধাৰিত হয় যে লেন-দেন পৰিশোধৰ সমতাৰ স্বয়ংক্ৰিয় মুঠ দেনা আৰু স্বয়ংক্ৰিয় মুঠ পাওঁনা পৰস্পৰ সমান হয়। কথাষাৰ আমি এনেদৰেও ক'ব পাৰো যে "লেন-দেন পৰিশোধৰ সমতাত যি বিনিময় হাৰ স্বয়ংক্ৰিয় মুঠ দেনা স্বয়ংক্ৰিয় মুঠ পাওঁনাৰ সমান হয় তেনে বিনিময় হাৰকে ভাৰসাম্য বিনিময় হাৰ বোলে।"

4.9.3 **লেন-দেন পৰিশোধ সমতাৰ বৈশিষ্ট্য ঃ** লেন-দেন পৰিশোধ সমতাৰ কেইটামান বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই বৈশিষ্ট্যসমূহ হ'ল—

1. কোনো এখন দেশৰ প্ৰৱাহিত মূদ্ৰাৰ বৈদেশিক বিনিময় হাৰ বিশ্বৰ সকলোবিলাক দেশৰ লগত হোৱা দেনা (চাহিদা) আৰু পাওঁনা (যোগান) ৰ ওপৰত নিৰ্ভৰ কৰে।

2. কোনো এখন দেশৰ পৰিশোধৰ দেনা-পাওঁনাৰ হিচাপ প্ৰতিটো বিত্তীয় বৰ্ষৰ অন্তত কৰা হয়।

3. লেন-দেন পৰিশোধ সমতাৰ হিচাপত চলিত হিচাপ আৰু মূলধনী হিচাপৰ লগতে সকলো প্ৰকাৰৰ আন্তৰ্জাতিক লেন-দেনক সাঙুৰি লোৱা হয়।

4. লেন-দেন পৰিশোধৰ সমতাত দেনা আৰু পাওঁনা দুয়ো প্ৰকাৰৰ হিচাপ অন্তৰ্ভূক্ত কৰা হয়। কোনো এক নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত দেশ এখনে কিছুমান

উদ্দেশ্য সাধনৰ অৰ্থে বৈদেশিক মুদ্ৰা ব্যৱহাৰ কৰে। এই সকলোবিলাকক দেশখনৰ বৈদেশিক মুদ্ৰা দেনাৰ ঘৰত অন্তৰ্ভূক্ত কৰা হয়। আনহাতেদি উক্ত সময়সীমাৰ ভিতৰত দেশখনে আহৰণ কৰা বৈদেশিক মুদ্ৰাক পাওঁনাৰ ঘৰত অন্তভূক্তি কৰা হয়।

5. লেন-দেন পৰিশোধৰ সমতাত সকলো প্ৰকাৰৰ দৃশ্যমান আৰু অদৃশ্যমান লেন-দেন অন্তৰ্ভূক্ত কৰা হয়।

6. লেন-দেন পৰিশোধৰ সমতাত মুঠ দেনা আৰু মুঠ পাওঁনা সদায় সমান-সমান হয়।

7. লেন-দেন পৰিশোধৰ সমতা স্বয়ংক্ৰিয় পদ্ধতিত হ'বলৈ দিলে যেতিয়া দেনা আৰু পাওঁনা সমান হয় তেতিয়া লেন-দেন পৰিশোধৰ সমতা ভাৰসাম্য অৱস্থাত উপনীত হয়।

8. স্বয়ংক্ৰিয় অৱস্থাত কেতিয়াবা দেনাৰ পৰিমাণতকৈ পাওঁনাৰ পৰিমাণ বেছি হৈ থাকে। ইয়াকে লেন-দেন পৰিশোধৰ সমতাৰ ৰাহি বোলে। পুনৰ কেতিয়াবা পাওঁনাৰ পৰিমাণতকৈ দেনাৰ পৰিমাণ বেছি হয়। ইয়াকে লেন-দেন পৰিশোধৰ সমতাৰ ঘাটি বুলি কোৱা হয়।

4.9.4 **বাণিজ্যিক সমতা (Balance of Trade) ঃ** কোনো এখন দেশে কোনো এক নিৰ্দ্দিষ্ট সময় সীমাৰ ভিতৰত (মূলতঃ এবছৰত) বিশ্বৰ অন্যান্য দেশৰ লগত সম্পাদন কৰা বাণিজ্যিক লেন-দেনৰ সমতাক বাণিজ্যিক সমতা বোলে। অৰ্থাৎ বাণিজ্যিক সমতাই কোনো এখন দেশৰ বছৰতটোৰ ভিতৰত সম্পাদন কৰা আমদানিৰ মূল্য আৰু ৰপ্তানিৰ মূল্যৰ মাজৰ সম্পৰ্কক বুজায়। কথা হ'ল দেশ এখনে সাধাৰণতে কিছুমান দৃশ্যমান সামগ্ৰী আৰু আন কিছুমান অদৃশ্যমান সামগ্ৰীৰ ৰপ্তানি বা আমদানি কৰে। কিন্তু বাণিজ্যিক সমতাত কেৱল দৃশ্যমান সামগ্ৰীৰ ৰপ্তানি আৰু আমদানিকৃত অন্তৰ্ভূক্ত কৰা হয়। দৃশ্যমান সামগ্ৰীৰ ভিতৰত পণ্যৰ আমদানি আৰু পণ্যৰ ৰপ্তানিক অন্তৰ্ভূক্ত কৰা হয়। প্ৰকৃততে যিবিলাক সামগ্ৰীৰ আমদানি-ৰপ্তানিক চকুৰে দেখিবলৈ পোৱা যায় সেইবোৰেই দৃশ্যমান সামগ্ৰী। এই ক্ষেত্ৰত বন্দৰত হিচাপ কৰিব পৰা আমদানি আৰু ৰপ্তানিকহে দৃশ্যমান সামগ্ৰীত অন্তৰ্ভূক্ত কৰা হয়। যদি দেশ এখনৰ কোনো এটা বছৰত ৰপ্তানিকৃত সামগ্ৰীৰ মূল্য আমদানিকৃত সামগ্ৰীৰ মূল্যৰ সমান হয়। তেনে তাক

বাণিজ্যিক সমতা বোলা হয়। কেতিয়াবা-কেতিয়াবা দেশখনৰ ৰপ্তানিৰ মূল্য আমদানিৰ মূল্যতকৈ অধিক হ'ব পাৰে। তেতিয়া বাণিজ্যিক সমতা দেশখনৰ বাবে অনুকূল হয় কিন্তু দেশখনৰ ৰপ্তানিৰ মূল্যতকৈ আমদানিৰ মূল্য অধিক হ'লে তেতিয়া দেশখনৰ বাণিজ্যিক সমতা দেশখনৰ প্ৰতিকূলে যোৱা বুলি কোৱা হয়।

4.9.5 **বাণিজ্যিৰ সমতা আৰু লেন-দেন পৰিশোধ সমতাৰ মাজত থকা পাৰ্থক্যসমূহ** (Differences between Balance of Trade and Balance of Payments) **:** বাণিজ্যৰ সমতা আৰু লেন-দেন পৰিশোধৰ সমতাৰ মাজত কিছুমান পাৰ্থক্য আছে। এই পাৰ্থক্যসমূহ হ'ল—

1. বাণিজ্যৰ সমতাত মাথোন দৃশ্যমান সামগ্ৰীৰ আমদানি আৰু ৰপ্তানিৰ দিশ সামৰি লোৱা হয়। কিন্তু লেন-দেন পৰিশোধৰ সমতাত দৃশ্যমান সামগ্ৰীৰ আমদানি-ৰপ্তানিৰ লগতে অদৃশ্যমান সামগ্ৰীৰ আমদানি-ৰপ্তানিকো সামৰি লোৱা হয়।

2. দ্বিতীয়তে, বাণিজ্যিক সমতাই বৈদেশিক বাণিজ্যৰ লেন-দেনৰ ক্ষেত্ৰত আংশিক ব্যাখ্যাহে আগবঢ়াব পাৰে। কিন্তু লেন-দেনৰ পৰিশোধৰ ভাৰসাম্যতাই বৈদেশিক বাণিজ্যৰ লেন-দেনৰ ক্ষেত্ৰত এক পূৰ্ণাংগ ব্যাখ্যা আগবঢ়াব পাৰে।

3. তৃতীয়তে, বাণিজ্য হাৰে মাথোন পণ্যৰ আমদানি আৰু ৰপ্তানি বিষয় দুটা আলোচনা কৰে। কিন্তু লেন-দেন পৰিশোধৰ সমতাই পণ্যৰ আমদানি-ৰপ্তানিৰ ওপৰিও স্বৰ্ণমান, মূলধন প্ৰৱাহ, বেংক সেৱা, সোণৰ কিনা-বেচা, যাতায়ত, যোগাযোগ আদি দিশসমূহো সামৰি লয়।

4.5.6 **লেন-দেন পৰিশোধ সমতাৰ উপাদানসমূহ** (Components of Balance of Payments) **:** ওপৰৰ আলোচনাসমূহৰ পৰা আমি একমত হ'ব পাৰো যে লেন-দেন পৰিশোধৰ সমতা বুলিলে কোনো এখন দেশৰ লগত বিশ্বৰ অন্যান্য দেশসমূহে কোনো এটা বছৰত কৰা সমূহ মুদ্ৰাগত লেন-দেনৰ সমতাকে প্ৰকাশ কৰে। দেশ এখনে বছৰটোৰ ভিতৰত মুঠ পাওঁনা বা মুঠ দেনা কিমান তাক হিচাপ ৰখা বাবে ইয়াৰ যোগেদি দেশখনৰ এক অৰ্থনৈতিক হিচাপ পাব পৰা যায়। যিহেতু বছৰটোৰ ভিতৰত দেশখনে বিদেশৰ লগত কৰা সকলো প্ৰকাৰৰ লেন-দেন মুঠ পাওঁনা আৰু মুঠ দেনাৰ অন্তৰ্ভূক্ত কৰা হয় সেয়েহে লেন-

দেন পৰিশোধৰ সমতা সদায়েই সমান হয়। যদি কিবা কাৰণত লেন-দেনৰ সমতাত কোনো ৰাশি অন্তৰ্ভূক্তি নহয় তেনেহ'লে লেন-দেনৰ সমতাত ভূল হ'ব। এনে অৱস্থাত বাদ পৰা ৰাশিবিলাক পুনৰ অন্তৰ্ভূক্তি কৰি সমতালৈ আনিব পৰা যায়। লেন-দেনৰ সমতাৰ উপাদানসমূহ হ'ল—

a) চলিত হিচাপ (Current Account)

b) মূলধনী হিচাপ (Capital Accout)

c) একপক্ষীয় হস্তান্তৰ হিচাপ (Unilateral Transfer Accout)

d) চৰকাৰৰ সংৰক্ষিত সম্পদৰ হিচাপ (Official Reserve Asset Accout)

তলত প্ৰতিটো দিশ চমুৰাই আলোচনা কৰা হ'ল—

a) **চলিত হিচাপ** (Current Account) **ঃ** সাধাৰণতে (1) পণ্যৰ ৰপ্তানি আৰু আমদানি (2) বিদেশৰ লোকলৈ যোগান ধৰা সেৱা আৰু বিদেশৰ লোকে যোগান ধৰা সেৱা (বেংক, ইন্সিঅ'ৰেন্স, জাহাজ, পৰিবহন ইত্যাদি) (3) বিদেশীয়ে দেশৰ ভিতৰত কৰা ভ্ৰমণ সংক্ৰান্তীয় খৰচ আৰু দেশৰ লোকে বিদেশত কৰা ভ্ৰমণ সংক্ৰান্তীয় খৰচ (4) দেশৰ লোকে বিদেশত আগবঢ়োৱা ঋণ, বিনিয়োগ কৰা মূলধনৰ সুদ আৰু লাভ্যাংশৰ উপৰিও বিদেশৰ লোকে দেশৰ ভিতৰত আগবঢ়োৱা ঋণ, বিনিয়োগ কৰা মূলধনৰ সুদ আৰু লাভ্যাংশ (5) বিদেশৰ পৰা পঠোৱা দান বৰঙনি বা দৰমহা আদিৰ দৰে মুদ্ৰা আৰু বিদেশলৈ পঠোৱা দান-বৰঙনি বা দৰমহা আদিৰ দৰে মুদ্ৰা (6) দেশৰ ভিতৰত বিদেশৰ চৰকাৰে কৰা খৰচ আৰু দেশৰ চৰকাৰে বিদেশত কৰা খৰচক চলিত হিচাপত অন্তৰ্ভূক্তি কৰা হয়। এই চলিত হিচাপত দুই ধৰণৰ উপাদান দেখিবলৈ পোৱা যায়। সেইয়া হ'ল—

i) দৃশ্যমান আমদানি আৰু ৰপ্তানি, আৰু

ii) অদৃশ্যমান আমদানি আৰু ৰপ্তানি

i) **দৃশ্যমান আমদানি আৰু ৰপ্তানি** (Visible Imports and Exports) **ঃ** চলিত হিচাপৰ 1 নং দফাত উল্লেখিত পণ্যৰ আমদানি আৰু পণ্যৰ ৰপ্তানিয়ে হ'ল দৃশ্যমান আমদানি আৰু ৰপ্তানিৰ অন্তৰ্ভূক্ত। অৰ্থাৎ দৃশ্যমান আমদানি বুলিলে বিদেশৰ পৰা দ্ৰব্য-সামগ্ৰী ক্ৰয় কৰাক বুজায়। ইয়াক দেনাৰ হিচাপত অন্তৰ্ভূক্ত

কৰা হয়। অন্যহাতেদি দৃশ্যমান সামগ্ৰীৰ ৰপ্তানি বুলিলে বিদেশত দ্ৰব্য-সামগ্ৰী বিক্ৰি কৰাক বুজায়। ইয়াক পাওঁনাৰ হিচাপত অন্তৰ্ভূক্ত কৰা হয়। সাধাৰণতে আন্তৰ্জাতিক লেন-দেনত দৃশ্যমান সামগ্ৰীৰ লেন-দেনে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে।

ii) **অদৃশ্যমান আমদানি আৰু ৰপ্তানি** (Invisible Imports and Exports) ঃ অদৃশ্যমান আমদানিয়ে সেৱাসমূহ আনদেশৰ পৰা ক্ৰয় কৰাক বুজায়। ইয়াক দেনাৰ ভিতৰত ধৰা হয়। বিদেশৰ পৰা লাভ কৰা পৰিবহন, যাতায়ত, বেংক সেৱা, বীমা সেৱা, বিদেশত নিজ দেশৰ পৰ্য্যটকৰ বাবদ কৰিব লগা ব্যয়, বিদেশৰ লোকে দেশৰ ভিতৰত আগবঢ়োৱা ঋণ, মূলধন বিনিয়োগ কৰাৰ বাবদ আদায় দিয়া সুদ আৰু লাভ্যাংশ, বিদেশলৈ পঠোৱা দান-বৰঙনি আৰু বিদেশী লোকক দিয়া দৰমহা আৰু দেশৰ চৰকাৰে বিদেশত কৰা খৰচক অদৃশ্যমান আমদানিৰ ভিতৰত বা দেনাৰ ভিতৰত ধৰা হয়। পুনৰ অদৃশ্যমান ৰপ্তানি সেৱাসমূহ আনদেশক বিক্ৰি কৰাক বুজায়। ইয়াক পাওঁনাৰ ভিতৰত ধৰা হয়। বিদেশৰ লোকলৈ যোগান ধৰা বেংক সেৱা, বীমা সেৱা, জাহাজ, পৰিবহন আদি সেৱা, বিদেশী লোকে দেশৰ ভিতৰত ভ্ৰমণ কাৰ্য্যত কৰা ব্যয়, দেশৰ লোকে বিদেশলৈ আগবঢ়োৱা ঋণৰ বাবদ পোৱা সুদ, মূলধন বিনিয়োগ কৰাৰ বাবদ পোৱা লাভ্যাংশ, বিদেশৰ পৰা দান-বৰঙনি আৰু দৰমহা। দেশৰ ভিতৰত বিদেশৰ চৰকাৰে কৰা খৰচ আদিক অদৃশ্যমান ৰপ্তানিৰ ভিতৰত ধৰা হয়। ইয়াকে বৈদেশিক বিনিময়ৰ যোগান বুলিও কোৱা হয়।

তলত প্ৰতিটো দিশ চমুৱাই আলোচনা কৰা হ'ল—

b) **মূলধনী হিচাপ** (Capital Accout) ঃ লেন-দেন পৰিশোধৰ সমতাত মূলধনী হিচাব বুলিলে হ্ৰস্বকালিন আৰু দীৰ্ঘকালিন মূলধনৰ লেন-দেনক প্ৰকাশ কৰে। যেতিয়া এখন দেশলৈ দীৰ্ঘকালিন আৰু হ্ৰস্বকালিন মূলধনৰ আমদানি ঘটে বা সোণৰ ৰপ্তানি ঘটে তেতিয়াই মূলধনৰ পাওঁনাৰ সৃষ্টি হয়। অন্যহাতেদি দীৰ্ঘকালিন আৰু হ্ৰস্বকালিন মূলধনৰ ৰপ্তানি আৰু সোণৰ আমদানিয়ে দেনাৰ সৃষ্টি কৰে। আন কথাত মূলধনৰ বৰ্হিপ্ৰৱাহ দেনা আৰু মূলধনৰ আন্তঃপ্ৰৱাহে পাওঁনাৰ সৃষ্টি কৰে।

পুনৰ ঋণৰ বাবদ পৰিশোধ কৰা সুদ, বিনিয়োগৰ বাবদ পৰিশোধ কৰা লাভ্যাংশ আদি চলিত হিচাপত অন্তভূক্তি কৰা হয়। এইবিলাক মূলধনৰ প্ৰকৃত

সেৱাৰ বাবদহে পৰিশোধ কৰা হয়। ঠিক একেদৰে বিদেশৰ ব্যক্তি বা চৰকাৰে আগবঢ়োৱা ঋণৰ বাবদো সুদ পৰিশোধ কৰিব লগা হয়। নিজ দেশত যদি বিদেশী বিনিয়োগকাৰীয়ে মূলধন বিনিয়োগ কৰে তেনেহ'লেও সুদ বা লাভ্যাংশ পৰিশোধ কৰিব লগা হয়। এইবিলাক শিতানক দেনাৰ ভিতৰত অন্তৰ্ভূক্ত কৰিব লগা হয়। অন্যহাতেদি দেশৰ লোকে বিদেশলৈ আগবঢ়োৱা ঋণৰ বাবদ আদায় পাব লগা লাভ্যাংশ, বিদেশৰ পৰা লাভ কৰা দান-বৰঙনি আৰু অন্যান্য আয়, দেশৰ ভিতৰত বিদেশৰ চৰকাৰে কৰা খৰচৰ বাবদ পাওঁনাৰ সৃষ্টি হয়।

c) **একপক্ষীয় হস্তান্তৰ হিচাপ** (Unilateral Transfer Accout) ঃ বহুতো অৰ্থনীতিবিদে ইয়াক উপহাৰ বুলিও মতামত পোষণ কৰা দেখা যায়। কিয়নো এনে পাওঁনাৰ বিপৰীতে কোনো দেনাৰ সৃষ্টি নহয়। কিয়নো এনে পাওঁনাৰ বিপৰীতে কোনো দেনাৰ সৃষ্টি নহয়। উদাহৰণস্বৰূপে বিদেশৰ ব্যক্তিয়ে বিনিয়োগ দেশত সাধন কৰিলে লাভ বা লাভ্যাংশ দেনাৰ সৃষ্টি হয় কিন্তু দান বা অনুদান বিদেশৰ পৰা লাভ কৰিলে তাৰ বিনিময়ত কোনো প্ৰত্যক্ষ বা পৰোক্ষ দেনাৰ সৃষ্টি নহয়। সাধাৰণতে একপক্ষীয় হস্তান্তৰ হিচাপত ব্যক্তিগত দান অনুদান, চৰকাৰী দান অনুদান, ক্ষতিপূৰণ, দুৰ্যোগ সাহাৰ্য্য আদিক অন্তৰ্ভূক্ত কৰিব পাৰি। একপক্ষীয় হস্তান্তৰ যেতিয়া কোনো দেশে বিদেশৰ পৰা আহৰণ কৰে তেতিয়া তাক পাওঁনাৰ হিচাপত অন্তৰ্ভূক্ত কৰা হয়। অন্যহাতেদি নিজৰ দেশে আন দেশলৈ দান-বৰঙনি বা দুৰ্যোগ সাহাৰ্য্য আগবঢ়ালে তাক দেনাৰ অন্তভূক্তি কৰা হয়।

d) **চৰকাৰৰ সংৰক্ষিত সম্পদৰ হিচাপ** (Official Reserve Asset Accout) ঃ যেতিয়া কোনো এখন দেশৰ চৰকাৰে বা চৰকাৰী প্ৰতিষ্ঠানে কোনো সম্পদ আহৰণ কৰে তেতিয়া তেনে সম্পদক চৰকাৰৰ সংৰক্ষিত সম্পদ হিচাপেও অন্তৰ্ভূক্ত কৰা হয়। সাধাৰণতে আন্তঃৰাষ্ট্ৰীয় বিবাদসমূহ নিস্পত্তিৰ বাবে কোনো দেশৰ চৰকাৰে এনে সম্পদ সংৰক্ষণ কৰে।

4.5.7 **লেন-দেন পৰিশোধৰ ভাৰসাম্যহীনতাৰ কাৰণ** (Factors Causing Balance of Payment Disequilibrium) ঃ কোনো এখন দেশৰ লেন-দেন পৰিশোধৰ সমতা বুলি ক'লে দেশখনৰ বৈদেশিক বিনিময়ৰ চাহিদা আৰু যোগান সমান-সমান হোৱা অৱস্থাটোকে বুজা যায়। যেতিয়া বৈদেশিক বিনিময়ৰ চাহিদাতকৈ যোগান বেছি হয় তেতিয়া তাক অনুকূল বৈদেশিক বিনিময় বা বৈদেশিক বিনিময় ভাৰসাম্যতাৰ অনুকূল অৱস্থা বোলা হয়। অন্যহাতেদি